**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-09-2024
**Time :** 1800 Hrs.

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত বাছনি লাভ কৰা ২৫ হাজাৰ ২৩৮ গৰাকী উদ্যোগীক আজি প্ৰথম কিস্তি হিচাপে ৭৫ হাজাৰ টকাকৈ বিতৰণৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। এই প্ৰক্ৰিয়াত ৫১০ কোটি টকা ব্যয় হ'ব। গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আজি অনুষ্ঠিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ কেইগৰাকীমান উদ্যোগীক আনুষ্ঠানিকভাৱে ইয়াৰ প্ৰথমটো কিস্তি প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে, ৰাজ্যৰ নিবনুৱা যুৱক-যুৱতীসকলক আত্মনিৰ্ভৰশীল কৰি তোলাৰ উদ্দেশ্যেৰে আৰম্ভ কৰা মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান উল্লেখনীয় পদক্ষেপ হিচাপে পৰিগণিত হৈছে। মুখ্যমন্ত্ৰীয়ে আজি আৰ্থিক সাহায্য লাভ কৰা প্ৰতিগৰাকী যুৱ উদ্যোগীক আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ কয় যে, ২০২১ চনৰ নিৰ্বাচনৰ পূৰ্বে চৰকাৰে এক লাখ চৰকাৰী চাকৰিৰ নিযুক্তি আৰু ২ লাখ যুৱ উদ্যোগীক আৰ্থিক উদগণি দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। বিগত তিনিটা বছৰত দুয়োটা প্ৰতিশ্ৰুতি পূৰণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে, যোৱা বছৰৰ ২৩ ছেপ্তেম্বৰত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম আঁচনিৰ শুভাৰম্ভ কৰাৰ লগতে প্ৰাৰ্থীসকলে আবেদন কৰিব পৰাকৈ প'ৰ্টেল মুকলি কৰা হৈছিল। এই প'ৰ্টেলযোগে এক লাখ ৪ হাজাৰ ৫১ গৰাকী প্ৰাৰ্থীয়ে আবেদন কৰিছিল। আজি প্ৰথম কিস্তি হিচাপে ২৫ গৰাকী যুৱক-যুৱতীক আৰ্থিক সাহায্য প্ৰদান কৰা হৈ বুলি উল্লেখ কৰি তেওঁ কয় যে, উচ্চ প্ৰশিক্ষিত ব্যক্তিৰ এটা গোটক মুখ্যমন্ত্ৰী ফেল' হিচাপে নিযুক্তি দিয়া হৈছে। এই গোটটোৱে যুৱ উদ্যোগীসকলক ব্যৱসায় চলাই নিয়াৰ বাবে দিহা পৰামৰ্শ প্ৰদান কৰিব। এই সন্দৰ্ভত সামগ্ৰিকভাৱে সহযোগিতা আগবঢ়াবলৈ এটা প্ৰশিক্ষণৰো ব্যৱস্থা কৰা হৈছিল বুলি তেওঁ কয়। উল্লেখযোগ্য যে এই আঁচনিৰ অধীনত বাছনিপ্ৰাপ্ত উদ্যোগীয়ে চৰকাৰৰ পৰা ২ লাখ টকাকৈ লাভ কৰিব। ইয়াৰে এক লাখ টকা ৰাজ্য সাহায্য আৰু  এক লাখ টকা ঋণ হিচাপে উদ্যোগীগৰাকীলৈ আগবঢ়োৱা হ'ব। আনহাতে অভিযন্তা, এম বি বি এছ, বি বি এছ ডিগ্ৰীৰ দৰে বৃত্তিমূলক অৰ্হতাসম্পন্ন বাছনিপ্ৰাপ্ত উদ্যোগীয়ে ৫ লাখ টকাকৈ লাভ কৰিব। ইয়াৰে আঢ়ৈ লাখ টকা ৰাজ সাহায্য আৰু আঢ়ৈ লাখ টকা ঋণ হিচাপে আগবঢ়োৱা হ'ব। মুখ্যমন্ত্ৰীয়ে নিজৰ ভাষণত ৰাজ্যখনত প্ৰতিটো নিযুক্তি প্ৰক্ৰিয়া সম্প্ৰতি স্বচ্ছ আৰু নিকা ৰূপত সম্পন্ন হৈছে বুলি মন্তব্য কৰে। তেওঁ কয় যে, এসময়ত ৰাজ্যখনত বিৰাজ কৰা অশান্তি আৰু নেতিবাচক পৰিৱেশৰ অৱসান ঘটি অসমলৈ শান্তি আৰু বিকাশৰ ধাৰা উভতি আহিছে। নিজৰ ভাষণত মুখ্যমন্ত্ৰীয়ে আজি প্ৰধানমন্ত্ৰী মুদ্ৰা আঁচনিৰ বিষয়ে উল্লেখ কৰি এই আঁচনিৰ জৰিয়তে উদ্যোগীসকলে ২০ লাখ টকা পৰ্যন্ত বেংক ঋণ গ্ৰহণ কৰিব পাৰে বুলি মন্তব্য কৰে। ৰাজ্যৰ বিত্তীয় প্ৰতিষ্ঠানসমূহ উদ্যোগীসকলক প্ৰদান কৰা ঋণৰ পৰিমাণ ক্ৰমাৎ বৃদ্ধি পাইছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে, চলিত বৰ্ষৰ ৩১ মাৰ্চ পৰ্যন্ত ৰাজ্যখনৰ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহলৈ বেংকে ২৯ হাজাৰ কোটি টকাৰ ঋণ আগবঢ়াইছে। উদ্যোগসমূহৰ লগতে ব্যৱসায়ীসকললৈ এই প্ৰতিষ্ঠানসমূহে ৩৭ হাজাৰ কোটি টকাৰ ঋণ আগবঢ়াইছে বুলি তেওঁ জানিবলৈ দিয়ে। আজিৰ অনুষ্ঠানত ৰাজ্যৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান

বিভাগৰ মন্ত্ৰী বিমল বৰা, মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, অতুল বৰা, কেশৱ মহন্তৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মুম্বাই বন্দৰৰ পৰা **ক্ৰুজ ভাৰত মিছন** মুকলি কৰে। এই অনুষ্ঠানত দপ্তৰটোৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী শান্তনু ঠাকুৰো উপস্থিত থাকে। ক্ৰুজ ভাৰত মিছনে প্ৰমোদতৰী পৰ্যটনৰ ক্ষেত্ৰত দেশক গোলকীয় হাব হিচাপে প্ৰতিষ্ঠিত কৰা আৰু বিশ্ব মানচিত্ৰত ভাৰতক প্ৰমোদতৰী গন্তব্য স্থানৰূপে উজলাই তোলাত প্ৰভূত পৰিমাণে সহায় কৰিব বুলি আশা কৰা হৈছে। অনুষ্ঠানত শ্ৰী সোণোৱালে কয় যে, এই অভিযানৰ জৰিয়তে ২০২৯ চনৰ ভিতৰত পৰ্যটকৰ সংখ্যা দুগুণ বৃদ্ধিৰে দেশৰ প্ৰমোদতৰী পৰ্যটন উদ্যোগক বিকশাই তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। দেশৰ সামুদ্ৰিক অৰ্থনীতিৰ প্ৰচুৰ সম্ভাৱনীয়তাৰ যথোচিত প্ৰয়োগ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ বদ্ধপৰিকৰ বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। আজিৰ অনুষ্ঠানত পৰ্যটন ক্ষেত্ৰৰ সৈতে জড়িত কেইবাখনো বুজাবুজিৰ চুক্তিতো স্বাক্ষৰ কৰা হয়।

০০০০০০০

ৰাজ্যৰ প্ৰশাসনীয় ব্যৱস্থা নিয়াৰিকৈ পৰিচালনাৰ লক্ষ্যৰে ২১ খন জিলাত ৩৯ খন সম-জিলা ঘোষণা কৰা হৈছে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই এখন জাননীৰ জৰিয়তে অহা ৪ অক্টোবৰৰ পৰা এই সম-জিলাসমূহ কাৰ্যকৰী হ'ব বুলি প্ৰকাশ কৰিছে। জাননী অনুসৰি ধুবুৰী জিলাৰ বিলাসীপাৰা আৰু গোলকগঞ্জক সমজিলা হিচাপে স্বীকৃতি দিয়া হৈছে। বঙাইগাঁৱৰ অভয়াপুৰীক, কামৰূপ জিলাৰ ৰঙিয়াক, নগাঁও জিলাৰ কলিয়াবৰ আৰু ৰহাক সমজিলা হিচাপে ঘোষণা কৰা হৈছে। একেদৰে বিশ্বনাথৰ গহপুৰ আৰু বিহালীক, লখিমপুৰ জিলাৰ ঢকুৱাখানাক, ধেমাজিৰ জোনাইক সমজিলা হিচাপে স্বীকৃতি দিয়া হৈছে। তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা, ডুমডুমা আৰু শদিয়া সম-জিলা হ'ব। শিৱসাগৰৰ নাজিৰা আৰু ডিমৌক, যোৰহাটৰ তিতাবৰক সম-জিলাৰ মৰ্যাদা দিয়া হৈছে। গোলাঘাট জিলাৰ বোকাখাট, সৰুপথাৰ আৰু ডেৰগাঁওক সম-জিলা হিচাপে স্বীকৃতি দিয়া হৈছে। কাছাৰৰ লক্ষীপুৰ, গোৱালপাৰা জিলাৰ পশ্চিম গোৱালপাৰা সম-জিলা হ'ব। কামৰূপ মেট্ৰ'ৰ দিছপুৰ, নিউ-গুৱাহাটী আৰু ডিমৰীয়াক সম-জিলা হিচাপে ঘোষণা কৰা হৈছে। দৰং জিলাৰ ছিপাঝাৰ আৰু দলগাঁওক, মৰিগাঁও জিলাৰ জাগীৰোড আৰু লাহৰীঘাটক সম-জিলা হিচাপে ঘোষণা কৰা হৈছে। হোজাই জিলাৰ লামডিং, শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি আৰু নদুৱাৰক সমজিলা হিচাপে ঘোষণা কৰা হৈছে। ডিব্ৰুগড় জিলাৰ খোৱাং, দুলিয়াজান আৰু তিংখঙক সমজিলাৰ স্বীকৃতি দিয়া হৈছে। চৰাইদেউ জিলাৰ মাহমৰা আৰু কৰিমগঞ্জৰ পাথাৰকান্দি আৰু ৰামকৃষ্ণ নগৰক সমজিলা হিচাপে ঘোষণা কৰা হৈছে।

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দেশ-বিদেশৰ পৰ্যটকৰ বাবে কাইলৈ মুকলি কৰা হ'ব। ইয়াৰ বাবে ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। প্ৰথম অৱস্থাত পৰ্যটকসকলৰ বাবে কেৱল জীপ ছাফাৰীৰ ব্যৱস্থা থাকিব। অহা ১ নৱেম্বৰৰ পৰা পৰ্যটকসকলে হাতী ছাফাৰীৰ সুবিধা লাভ কৰিব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই ইতিমধ্যে ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰ ভাগৰ বাট-পথসমূহ মেৰামতি কৰাৰ লগতে জীপ চালক সকলকো প্ৰশিক্ষণ প্ৰদান কৰিছে। ইতিমধ্যে কেইবালানিও প্ৰশিক্ষণ কাৰ্যসূচী সমাপ্ত হৈছে। কাইলৈ উদ্যোনখনৰ কাজিৰঙা বনাঞ্চল, বাগৰি বনাঞ্চল আৰু বুঢ়া পাহাৰ বনাঞ্চলৰ কিছু অংশহে পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হ'ব। বাট-পথৰ মেৰামতি তথা আন আভ্যন্তৰীণ কামসমূহ সম্পূৰ্ণ হোৱাৰ পাছতে হাতী

ছাফাৰীৰ লগতে পৰ্যটকৰ বাবে অনুমোদিত সকলো অঞ্চল পৰ্যটকে ভ্ৰমণ কৰিব পাৰিব। ৰাষ্ট্ৰীয় উদ্যানখনক কেন্দ্ৰ কৰি হস্তশিল্পৰ পৰ্যটন উদ্যোগো গঢ় লৈ উঠিছে। হস্তনিৰ্মিত কাজিৰঙাৰ জীৱকূলৰ প্ৰতিকৃতি ক্ৰয় কৰিবলৈ বহু লোকৰ সমাগম হয়। উল্লেখযোগ্য যে যোৱা বছৰৰ ৩১ মে'ত ৰাষ্ট্ৰীয় উদ্যানখনত পৰ্যটন বৰ্ষৰ সামৰণি পৰাৰ পাছত কাইলৈ বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে উদ্যানখন মুকলি কৰিব।

ইফালে কাইলৈ ওৰাং ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ প্ৰকল্প পৰ্যটকৰ বাবে মুকলি কৰা হ'ব। ব্ৰহ্মপুত্ৰ উত্তৰ পাৰৰ এটা খৰ্গযুক্ত গঁড়ৰ বিচৰণথলী আৰু মাটিকালিৰ ক্ষেত্ৰত এছিয়াৰ ভিতৰতে বাঘৰ ঘন বসতি থকা এই উদ্যানখন মুকলি কৰাৰ বাবে সকলো প্ৰস্তুতি সম্পন্ন হৈছে। উদ্যানখনৰ পথসমূহ মেৰামতি কৰি জীপ ছাফাৰীৰ বাবে উপযোগী কৰি তোলা হৈছে। এইবাৰ পৰ্যটকসকলৰ সুবিধাৰ্থে বন বিভাগে নিজাকৈ ছটা কোঠাৰ ইকো কেম্প মুকলি কৰিছে। এইবেলি উদ্যানখনত পৰ্যটকৰ সমাগম বৃদ্ধি পাব বুলি আশা কৰা হৈছে।

০০০০০০০

০০০০০০০

**সমাপ্ত**